মাধ্যমৰ বিদ্যালয়ত পঢ়াৰ সুবিধা কৰি দিলেই স্বস্তিৰ নিশ্বাস এৰে। কালক্ৰমত পাচৰানৰ চৰিত্ৰৰ পৰিৱৰ্তন ঘটিছে। ৰিক্সাচালক হ'লেও আত্মগৌৰৱেৰে নিজৰ বৃত্তিক গ্ৰহণ কৰি কাৰো অপকাৰ সাধন নকৰা সেই সহজ-সৰল চৰিত্ৰটোৱে পৰিস্থিতিৰ তাগিদাত চুৰ কৰিবলৈ আৰম্ভ কৰিলে। পৰিস্থিতিয়ে যেনেকৈ জন্তুৰ পৰা মানুহলৈ ৰূপান্তৰ কৰিব পাৰে, তেনেকৈ ভগৱানৰ পৰা দানৱৰ শাৰীলৈও লৈ আনিব পাৰে। পাচৰানৰ এই কাম ইচ্ছাকৃত নহয় আৰু তেওঁৰ ভিতৰৰ মানুহজনৰো সলনি হোৱা নাছিল। অৱশেষত আশা কৰামতে



সেইখন বিদ্যালয়ত নামভৰ্তি কৰাৰ সুবিধা পালে যদিও বুলবুলৰ এডমিছনৰ খৰচ, বিভিন্ন ফৰ্ম ফিল আপৰ খৰচ আদিয়ে জুমুৰি দি ধৰাত বুচি পাচৰানে এটাৰ পাছত এটাকৈ চুৰ কৰি গৈ অৱশেষত আৰক্ষীৰ জালত পৰিল। পুতেকৰ ব'ৰ্ডৰ পৰীক্ষাত বেয়া প্ৰভাৱ পৰাৰ শংকাত এই কথা পাচৰানে ঘৰত জানিবলৈ দিয়া নাছিল যদিও এছ পি কৈলাস আনন্দে শেষত সত্য উদ্ধাৰ কৰি ঘৰলৈ গৈ মাক আৰু বুলবুলক দেউতাকক বিচাৰি অনাৰ আশ্বাস দিলে আৰু প্ৰতিদিনে বুলবুলৰ লগতে অঞ্চলটোৰ আন ল'ৰা-ছোৱালীবোৰক ব'ৰ্ডৰ পৰীক্ষাৰ কাৰণে নিজে প্ৰশিক্ষণ দিলে। উল্লেখযোগ্য যে, চলচ্চিত্ৰখনৰ কেন্দ্ৰবিন্দুত অৱস্থান কৰা কৈলাস আনন্দৰ চৰিত্ৰটোৱে আই পি এছ অভয়ানন্দক প্ৰতিনিধিত্ব কৰিছে। যিজনে বিহাৰত ছুপাৰ-৩০ প্ৰৱৰ্তন কৰি প্ৰতিবছৰে ত্ৰিছগৰাকী আৰ্থিকভাৱে অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীক মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ পৰীক্ষাৰ বাবে বিনামূলীয়াকৈ প্ৰশিক্ষণ দি প্ৰস্তুত কৰে। চলচ্চিত্ৰখনতো কৈলাস আনন্দৰ নৈতিক আদৰ্শ আৰু সামাজিক দায়বদ্ধতাৰ ছবিখন সুন্দৰকৈ প্ৰতিফলিত হৈছে। তেওঁ বুচি পাচৰানক আইনৰ তাগিদাত জে'ললৈ প্ৰেৰণ কৰিছে আৰু তেওঁৰ অন্তৰত থকা মানৱতাবোধে পাচৰানৰ পৰিবাৰ তথা সন্তানক আশাৰ বাট দেখুৱাইছে, জীৱন যুঁজত হতাশ নহৈ আগুৱাই যাবলৈ সিহঁতৰ কাষত সাহস হৈ থিয় দিছে।

চলচ্চিত্ৰখনৰ শেষৰফালে বুলবুলে ব্যক্তিগত খণ্ডৰ বিদ্যালয়খনৰ পৰা ব'ৰ্ডৰ পৰীক্ষাত শীৰ্ষস্থান দখল কৰা দেখুৱাইছে, যিখন বিদ্যালয়ত আঢ্যৱন্ত অভিভাৱকসকলে আভিজাত্যৰ গৌৰৱ চুৰমাৰ হোৱা আৰু সমাজত লজ্জানত হোৱাৰ আশংকাত বুলবুলৰ দৰে মেধাৱী অথচ সাধাৰণ ৰিক্সাচালক আৰু চোৰৰ পুতেকক ব'ৰ্ডৰ পৰীক্ষাৰ পৰা বঞ্চিত কৰিবলৈ উৰ্ধ্বতন কৰ্তৃপক্ষৰ ওপৰত হেঁচা দিছিল। দৰ্শকে সেয়ে শেষত সুখকৰ সামৰণি এটাৰ আমেজ পাব। কঠোৰ জীৱন সংগ্ৰাম আৰু তাৰ পাছত অহা সুখৰ বাতৰিয়ে সকলোৰে চকু সজল কৰি তুলিব। এটা কথা ঠিক যে, প্ৰতিভাক কেতিয়াও বাধা দি লুকুৱাই ৰাখিব নোৱাৰি। ইয়াৰ প্ৰমাণ বুলবুলৰ দৰে ল'ৰা-ছোৱালীয়ে দি আহিছে, যি হাজাৰ জীৱন সংগ্ৰামৰ মাজেৰে, দৰিদ্ৰতাকো নেওচি নিজৰ লগতে পৰিয়াল তথা সমাজৰ নাম উজলাই তুলিবলৈ সক্ষম হয়।

বুচি পাচৰানৰ জীৱনৰ কৰুণ ছবিখনে দৰ্শকক আবেগিক কৰি তুলিব। লগতে আশা এৰি নিদি প্ৰতিকূল পৰিস্থিতিকো নেওচি জীৱনৰ পৰীক্ষাত অৱতীৰ্ণ হৈ লাভ কৰা সফলতাই সকলোকে অনুপ্ৰাণিত কৰিব।

দিনৰ দিনটো পাচৰানে ৰিক্সা চলায় আৰু ৰাধিকাই ফেক্টৰিত বাচন-বৰ্তন মাজি, প্ৰয়োজনতকৈ অধিক কাম কৰিও বুলবুলৰ পঢ়াৰ খৰচ যোগাৰ কৰাটো সম্ভৱ নহয়, যাৰ বাবে সপোনক বাস্তৱ ৰূপ দিবলৈ বুচি পাচৰানে চুৰ কৰিবলৈ আৰম্ভ কৰে। এইফালৰ পৰা চাবলৈ গ'লে বুচি পাচৰান এনে এটা চৰিত্ৰ যি পৰিস্থিতিক কাবু কৰিব পৰা নাই, পৰিস্থিতিয়ে তেওঁৰ স্বকীয় অস্তিত্ব জলাঞ্জলি দিবলৈ বাধ্য কৰাইছে। পাচৰানে তেওঁৰ কুকৰ্মৰ ফল ভোগ কৰিছে আৰু শেষত বিজয় তেওঁৰ কাষলৈ আহিছে। ই এটা সঁচা ঘটনা। পৰিচালকে সেই ঘটনাটোক হুবহু দৰ্শকৰ মাজলৈ লৈ আহিছে। তাত পৰিচালকৰ নিজা দৃষ্টিভংগী বা আদৰ্শই কাম কৰা নাই। সাধাৰণ মানুহৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰতি যি মোহ আৰু চৰকাৰী বিদ্যালয়ৰ প্ৰতি অনাস্থা সেই ভাব বুচি পাচৰান আৰু তেওঁৰ পত্নী ৰাধিকাৰ চৰিত্ৰত ফুটি উঠিছে। লগতে প্ৰচলিত দৃষ্টিভংগীত পৰিৱৰ্তন আনিবলৈ এছ পি কৈলাস আনন্দৰ চৰিত্ৰটোৰ মাধ্যমেৰে এইটোও বুজোৱা হৈছে যে, কিবা এটা কৰাৰ অদম্য সাহস, হেঁপাহ আৰু একাগ্ৰতা থাকিলে যিকোনো মাধ্যমৰ জৰিয়তে সফলতা লাভ কৰিব পাৰি। জীৱন আৰু আনুষ্ঠানিক শিক্ষাৰ পৰীক্ষাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য।

চলচ্চিত্ৰখনত চৰিত্ৰবোৰৰ জীৱনৰ দুখলগা মুহূৰ্তবোৰত তেওঁলোকৰ নিখুঁত অভিনয়ে যেনেকৈ দৰ্শকক আবেগিক কৰি তুলিব তেনেকৈ সৰু সৰু প্ৰাপ্তি আৰু সুখৰ মুহূৰ্তবোৰত আনন্দৰ চকুলো নিগৰাই আনিব। উল্লেখযোগ্য যে, কাহিনীটোৱে দাবী কৰা মতে, চলচ্চিত্ৰখনত দেখুওৱা ঠাইবোৰ পূৰ্বৰ বিহাৰ হোৱাটো প্ৰয়োজনীয় আছিল, কিন্তু কম বাজেটেৰে নিৰ্মিত হোৱাৰ বাবে বৰ্তমানৰ ঝাৰখণ্ডকহে চলচ্চিত্ৰখনত দেখা পোৱা গ'ল। চলচ্চিত্ৰখনৰ চিত্ৰনাট্য ইমান দ্ৰুত আৰু ভাবত আউল নলগাকৈ আগবাঢ়িছে যে সম্পূৰ্ণ এঘণ্টা ৪২ মিনিট সময় দৰ্শকে চলচ্চিত্ৰখনৰ মাজত নিজকে বান্ধি ৰাখিব পাৰিব।

ঠিকনা ঃ অসম আদিত্য, চৌকিডিঙী, ডিব্ৰুগড়, অসম, পিন-৭৮৬০০১, ফোন ঃ ৮৩৯৯৮৭৯৯৫২
ই-মেইল ঃ dasbhabendra2020@gmail.com